# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-06-2025
**Time :** 1800 HRS

# *Assamese Evening Bulletin*
--------------------

তেল আৰু প্ৰাকৃতিক গেছ নিগম, অ’ এন জি চিয়ে শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰত গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে দেশ-বিদেশৰ বিশেষজ্ঞৰ পৰামৰ্শ অনুযায়ী কাম কৰি আছে যদিও পৰিস্থিতি এতিয়াও নিয়ন্ত্ৰণ হোৱা নাই। প্ৰতিষ্ঠানটোৱে গেছ নিৰ্গমন হৈ থকা ১৪৭ নম্বৰ ৰিগৰ খননৰ দায়িত্বত থকা এছ কে পেট্ৰ’ নামৰ ব্যক্তিগত খণ্ডৰ কোম্পানীটোৰ বিৰুদ্ধে নিজাববীয়াকৈ তদন্ত আৰম্ভ কৰিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিৱসাগৰৰ ভটিয়াপাৰৰ অ’ এন জি চিৰ গেছ নিৰ্গমন সন্দৰ্ভত কেন্দ্ৰীয় পেট্ৰ’লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে পৰিস্থিতিৰ অৱনতি ৰোধ কৰাৰ বাবে অ’ এন জি চিক যুদ্ধকালীন তৎপৰতাৰে গেছ নিৰ্গমন নিয়ন্ত্ৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিবলৈ পত্ৰখনৰ জৰিয়তে অনুৰোধ জনাইছে। তেওঁ লগতে স্বাভাৱিক অৱস্থা ঘূৰাই অনাৰ বাবে অ’ এন জি চিয়ে অধিক সক্ৰিয়তাৰে ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন আছে বুলি মত পোষণ কৰে। ৰাজ্য চৰকাৰে প্ৰভাৱিত লোকসকলক সকলোধৰণৰ সাহায্য আগবঢ়াইছে বুলিও তেওঁ মন্তব্য কৰে।

০০০০০০

অসম আৰু মেঘালয়ত আজি আৰু কাইলৈ ৰেড এলাৰ্ট জাৰি কৰা হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে এই দুদিনত ৰাজ্য দুখনত ধুমুহা গাজনিৰে প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰাৰ পৰিপ্ৰেক্ষিতত গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে এই সতৰ্কতা জাৰি কৰিছে। মন্ত্ৰালয়ে জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে এই সময়ছোৱাত ভূমিস্খলন আৰু বান প্ৰৱন এলেকাৰ বাসিন্দাসকলক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে।

লখিমপুৰ আৰু বিশ্বনাথ জিলাৰ বহুকেইখন ঠাই এতিয়াও বানৰ কবলত আছে। বৰষুণ হৈ থাকিলে ৰঙানদীৰ শ্লুইছ গে’ট খুলি দিয়া হ’ব পাৰে বুলি স্থানীয় লোকক সাৱধান হৈ থাকিবলৈ কৰ্তৃপক্ষই আহ্বান জনাইছে। ইপিনে নাগালেণ্ডত হোৱা মুষলধাৰ বৰষুণৰ ফলত গোলাঘাট জিলাৰ মেৰাপানীৰ চাউদাং পথাৰ গাঁও পঞ্চায়ত এলেকাৰ বহুকেইখন গাঁৱত বানসদৃশ পৰিস্থিতিৰ উদ্ভৱ হৈছে। ঘিলাধাৰী নৈৰ বাঢ়নী পানীয়ে অঞ্চলটোৰ কেইবাখনো গাঁও প্লাৱিত কৰাৰ ফলত কৃষিভূমিৰ লগতে বাসগৃহ ক্ষতিগ্ৰস্ত হৈছে।

০০০০০০

উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী তথা তিনিচুকীয়া জিলাৰ অভিভাৱক মন্ত্ৰী বিমল বৰাই আজি মাৰ্ঘেৰিটা সমষ্টিত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান আৰু মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ শেহতীয়া স্থিতিৰ পৰ্যালোচনা কৰে। বৈঠকত মন্ত্ৰীগৰাকীয়ে আঁচনি তিনিখনৰ সফল ৰূপায়ণ সুনিশ্চিত কৰিবলৈ আৰু পূৰ্বতে বাদ পৰি যোৱা যোগ্য হিতাধিকাৰীসকলক আঁচনিত অন্তৰ্ভুক্ত কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। বৈঠকত বিধায়ক ভাস্কৰ শৰ্মা আৰু জিলা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০

চৰাইদেউ জিলাৰ সোণাৰিৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নাজিৰা সংমণ্ডলত আজি মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে অভিযান চলাই এগৰাকী চতুৰ্থ বৰ্গৰ কৰ্মচাৰীক উৎকোচ গ্ৰহণৰ অভিযোগত আটক কৰে। দীপা কটকী নামৰ কৰ্মচাৰীগৰাকীয়ে

কাৰ্যালয়টোৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী প্ৰয়াত দিলীপ লাহনৰ পৰিয়ালৰ পৰা পেঞ্চন আদায়ৰ বাবে উৎকোচ দাবী কৰিছিল। এই অভিযোগৰ ভিত্তিত তদাৰকী কোষে অভিযান চলাই কৰ্মচাৰীগৰাকীক আটক কৰাৰ লগতে তেওঁৰ কাৰ্যালয়ৰ নথিপত্ৰ পৰীক্ষা কৰি আছে।

০০০০০০০

সাহিত্য একাডেমীয়ে ২০২৫ বৰ্ষৰ যুৱ সাহিত্য আৰু শিশু সাহিত্য বঁটা লাভ কৰা ব্যক্তিসকলৰ নামৰ তালিকা প্ৰকাশ কৰিছে। অসমৰ সুপ্ৰকাশ ভূঞাঁলৈ **কুঁচিয়ানামা** শীৰ্ষক চুটি গল্প সংকলনৰ বাবে যুৱ সাহিত্য বঁটা আৰু সুৰেন্দ্ৰ মোহন দাসলৈ **মইনাহঁতৰ পদ্যৰ** বাবে শিশু সাহিত্য বঁটা আগবঢ়োৱা হৈছে। অমৰ খুংগুৰ বড়োৱে বড়ো ভাষাত লিখা **অং অচুৰ** কবিতা সংকলনৰ বাবে যুৱ সাহিত্য বঁটা আৰু বিনয় কুমাৰ ব্ৰহ্মই **খান্থি বৌচন আৰ' আখু ডানাই** শিশু গল্প সংকলনৰ বাবে শিশু সাহিত্য বঁটা লাভ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আটাইকেইজন বঁটা বিজয়ী সাহিত্যিক অভিনন্দন জনাইছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও বঁটা লাভ কৰা চাৰিওগৰাকী সাহিত্যিকলৈ অভিনন্দন জ্ঞাপন কৰিছে। শ্ৰীসোণোৱালে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ভাষা-সাহিত্যৰ উৎকৰ্ষ সাধনেৰে অসমৰ জাতীয় জীৱনক সমৃদ্ধ কৰা এই যাত্ৰা অব্যাহত ৰাখিবলৈ তেওঁলোকক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০

অসম চৰকাৰে ৪০০ গৰাকী চিকিৎসা আৰু স্বাস্থ্য বিষয়াক আজি নিযুক্তি পত্ৰ প্ৰদান কৰে। তৃণমূল পৰ্যায়ৰ পৰা মানসম্পন্ন স্বাস্থ্য সেৱা প্ৰদানৰ প্ৰচেষ্টাৰ অংশ হিচাপে এই নিযুক্তি প্ৰদান কৰা হৈছে। এই উপলক্ষে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় প্ৰেক্ষাগৃহত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। নিজৰ ভাষণত তেওঁ কয় যে নৱনিযুক্ত বিষয়াসকলে চৰকাৰী চাকৰি লাভৰ সপোন বাস্তৱায়িত কৰাৰ লগতে উন্নত স্বাস্থ্য সেৱা প্ৰদানত সহায় কৰিব। বিগত কেইবছৰমানত স্বাস্থ্য সেৱাৰ দিশত লাভ কৰা সাফল্য হিচাপে প্ৰসূতি মাতৃ আৰু নৱজাতকৰ মৃত্যুৰ হাৰ হ্ৰাস হৈছে বুলি ড০ শৰ্মাই উল্লেখ কৰে। ২০২৯ চনৰ ভিতৰত অসমত ৩০খন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰি ৰাজ্যখনক চিকিৎসা আৰু স্বাস্থ্য সেৱাৰ দিশত শক্তিশালী কৰি তোলাৰ লক্ষ্য লোৱা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে ৰাজ্যত ছখনৰ পৰা ১৩খনলৈ চিকিৎসা মহাবিদ্যালয় বৃদ্ধি পোৱাৰ ফলত সুলভ হাৰত স্বাস্থ্য সেৱা প্ৰদানৰ সুবিধা হৈছে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ব্যক্তিগত চিকিৎসালয়সমূহৰ সেৱা প্ৰদান ব্যৱস্থাত কিছু সংশোধন কৰাৰ বাবে মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত লোৱা হ'ব বুলি উল্লেখ কৰে। তেওঁ কয় যে এনে চিকিৎসালয়সমূহে টকা-পইচা আদায় আদায় দিব নোৱাৰাৰ বাবে মৃতদেহ আৰু ৰোগীক যাতে ৰখাই থ'ব নোৱাৰে তাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত ল'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তদুপৰি এই সন্দৰ্ভত সহায়ৰ বাবে এটা কল চেণ্টাৰ স্থাপন কৰিবলৈ স্বাস্থ্য মন্ত্ৰীক কোৱা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। অসুবিধাৰ সন্মুখীন হোৱা লোকে কল চেণ্টাৰলৈ ফোন কৰিলে আৰক্ষীয়ে ততালিকে সংশ্লিষ্ট চিকিৎসালয়ত উপস্থিত হৈ ৰোগী নাইবা মৃতদেহ পৰিয়ালক গতাই দিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে চিকিৎসকসকলক ভাট্টাকে ধৰি বিভিন্ন সা-সুবিধা প্ৰদানৰ চিন্তা-চৰ্চা কৰা হৈছে বুলিও ড০ শৰ্মাই জানিবলৈ দিয়ে।

০০০০০

সমাপ্ত